**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৭৫/২০১৯**

**মুখ্যমন্ত্ৰীয়ে অংশ গ্ৰহণ কৰিলে লিডাৰশ্বিপ লেকচাৰ ছিৰিজ অন ইন্টাৰনেট অফ থিংছ অনুষ্ঠানত**

## দ্ৰুত উন্নয়নৰ দিশত ইন্টাৰনেটে অগ্ৰণী ভূমিকা ল'ব পাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ তথ্য প্ৰযুক্তি বিভাগৰ দ্বাৰা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজন কৰা 'লিডাৰশ্বিপ লেকচাৰ ছিৰিজ অন ইন্টাৰনেট অফ থিংছ' অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত কয় যে আজিৰ পৃথিৱী হ'ল প্ৰযুক্তিৰ পৃথিৱী। ইন্টাৰনেটে যিকোনো সমাজৰ দ্ৰুত উন্নয়ন ৰচনা কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাৰ্যকালৰ আৰম্ভণিতে ইন্টাৰনেটৰ গুৰুত্বৰ কথা উপলব্ধি কৰি ডিজিটেল ইণ্ডিয়াৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিছে যাতে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ জীৱনশৈলীলৈ বৃহৎ পৰিৱৰ্তন আনিব পৰা যায়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ভাৰতবৰ্ষ বিশ্বৰ সবাতোকৈ বৃহৎ যুৱশক্তিৰ দেশ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেয়েহে যুৱ শক্তিৰ দ্বাৰা এখন উন্নত ভাৰতবৰ্ষৰ নিৰ্মাণৰ পদক্ষেপ লৈছে বুলি কয়। ৰাজ্য চৰকাৰেও গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে পৰিগণিত কৰাৰ দিশত সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই দিশত ইন্টাৰনেটে যোগাযোগৰ আন্তঃগাঁথনি উন্নীতকৰণৰ দিশত বিশেষ ভূমিকা ল'ব পৰাৰ দিশটোৰ প্ৰতি অনুধাৱন কৰিয়েই চৰকাৰে ইন্টাৰনেট সেৱাক গাওঁ তথা আওঁহতীয়া অঞ্চল সমূহলৈ সম্প্ৰসাৰিত কৰাৰ পদক্ষেপ লৈ আছে বুলিও কয়।

লিডাৰশ্বিপ লেকচাৰ ছিৰিজত এই ক্ষেত্ৰৰ বিশেষজ্ঞ সকলে প্ৰদান কৰা বক্তব্যই চৰকাৰী বিষয়া সকলক ইন্টাৰনেটৰ শক্তি, ইন্টাৰনেট অফ থিংছৰ লেখীয়া নতুন প্ৰযুক্তিৰ বিষয়ে জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াত আহৰণ কৰা জ্ঞানৰে ৰাজ্য চৰকাৰৰ বিষয়াসকলে সমাজৰ অৱহেলিত আৰু দুখীয়া জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীতকৰণৰ দিশত প্ৰয়োগ কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সম্ভাৱনীয়তা ইন্টাৰনেটৰ জৰিয়তে বিশ্ব প্ৰেক্ষাপটত তুলি ধৰাৰ পদক্ষেপৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

আজিৰ এই অনুষ্ঠানত তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, তথ্য প্ৰযুক্তি বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, মাইক্ৰ'ছফটৰ ৰাজেশ কুমাৰ, আই বি এমৰ লাথা ৰাজ, ইণ্ডিয়ান স্কুল অৱ বিজনেছৰ অভিক সৰকাৰ, অমিতাভ গুহঠাকুৰতাকে ধৰি প্ৰখ্যাত সমল ব্যক্তিসকল উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ**
**৫/১২/২০১৯**